**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-06-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। জম্মু-কাশ্মীৰৰ বিকাশৰ যাত্ৰাত নতুনকৈ উদ্বোধন কৰা বৃহৎ প্ৰকল্পসমূহে বিশেষ গুৰুত্ব বহন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মৌদ্ৰিক নীতি সমিতিয়ে আজি ৰেপ'ৰেট ৫০ পইণ্ট হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ৫ দশমিক ৫ শতাংশ কৰে।

৩। কেন্দ্ৰীয় সংখ্যালঘু উন্নয়ন দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি নতুন দিল্লীত ৱাকফ সম্বন্ধীয় বিষয়সমূহ সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে উম্মীদ নামৰ এটা প'ৰ্টেল মুকলি কৰে।

৪। ভাৰতীয় ক্ৰিকেট দলটো আজি পাঁচখনিয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইংলেণ্ডলৈ ৰাওনা হ'ব।

***আৰু***

৫। জাকাৰ্টাত চলি থকা ইণ্ডোনেছিয়া অ'পেন ছুপাৰ থাউজেণ্ড প্ৰতিযোগিতাত আজি ভাৰতীয় যুটী চিৰাগ চেট্টি আৰু সাত্বিকসাইৰাজ ৰণকীৰেড্ডীয়ে পৰাজয় বৰণ কৰিছে।

oooooo

জম্মু-কাশ্মীৰৰ বিকাশৰ যাত্ৰাত নতুনকৈ উদ্বোধন কৰা বৃহৎ প্ৰকল্পসমূহে বিশেষ গুৰুত্ব বহন কৰিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে। কাট্ৰাত চেনাব দলং আৰু আঞ্জি খাদ দলং উদ্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই অত্যাধুনিক চেনাব দলঙে জম্মু আৰু শ্ৰীনগৰৰ মাজৰ যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰিব। প্ৰধানমন্ত্ৰীয়ে কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে এতিয়া  সমগ্ৰ দেশ ৰে'লৱে নেটৱৰ্কেৰে সংযোজিত হোৱাত সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল লাইন প্ৰকল্প  হৈছে, এখন নতুন আৰু শক্তিশালী জম্মু-কাশ্মীৰৰ প্ৰতীক স্বৰূপ। শ্ৰীমোদীয়ে কয়, যে চেনাব আৰু আঞ্জি দলঙে জম্মু-কাশ্মীৰৰ বাবে সমৃদ্ধিৰ প্ৰৱেশদ্বাৰ হিচাপে কাম কৰিব। ভাৰতে সন্ত্ৰাসবাদৰ ওচৰত কেতিয়াও মূৰ নোদোৱায় বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দুৰ্ভাগ্যজনকভাৱে আমাৰ চুবুৰীয়া ৰাষ্ট্ৰই মানৱতা আৰু দৰিদ্ৰ লোকৰ জীৱন-জীৱিকাৰ

বিৰুদ্ধেও থিয় দিছে। সন্ত্ৰাসবাদীয়ে পেহেলগামত কৰা আক্ৰমণ ইয়াৰ উৎকৃষ্ট উদাহৰণ বুলি উল্লেখ কৰি তেওঁ কয়, যে এয়া কেৱল মানৱীয়তাৰ ওপৰতে নহয়, কাশ্মীৰী লোকসকলকো কৰা এটা আক্ৰমণ। কিয়নো পৰ্য্যটন খণ্ডক লক্ষ্য কৰি এই আক্ৰমণ কৰা হৈছিল আৰু বহুতো কাশ্মীৰী পৰিয়ালৰ জীৱিকা এই খণ্ডৰ সৈতে জড়িত হৈ আছে। সিন্দূৰ অভিযানৰ বিষয়ে পাকিস্তানে যেতিয়াই শুনিব, তেওঁলোকৰ পৰাজয়ৰ বিষয়ে সুঁৱৰি লজ্জা অনুভৱ কৰিব বুলিও তেওঁ কয়। শ্ৰীমোদীয়ে কয়, যে অপাৰেচন সিন্দূৰৰ পাছত সমগ্ৰ বিশ্বই ভাৰতৰ প্ৰতিৰক্ষা তন্ত্ৰ আৰু আত্ম-নিৰ্ভৰশীলতা সম্পৰ্কে আলোচনা কৰিছে। তেওঁ জনসাধাৰণক দেশত নিৰ্মিত সামগ্ৰীসমূহক অগ্ৰাধিকাৰ দিবলৈ সংকল্প লোৱাৰ বাবেও আহ্বান জনায়।

প্ৰধানমন্ত্ৰীয়ে ৪৬ হাজাৰ কোটি টকাতকৈও অধিক মূল্যৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে  ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। শ্ৰীমোদীয়ে জম্মু-কাশ্মীৰৰ ভিতৰত যোগাযোগ ব্যৱস্থা বৃদ্ধিৰ লক্ষ্যৰে বন্দে ভাৰত ৰে'লৰো পতাকা জোকাৰি শুভাৰম্ভ কৰে। তেওঁ জম্মুত এখন নতুন চিকিৎসা মহাবিদ্যালয়ৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে বিকাশ আৰু পৰিৱৰ্তনৰ এই নতুন যুগৰ বাবে অঞ্চলটোৰ জনসাধাৰণক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে।

০০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মৌদ্ৰিক নীতি সমিতিয়ে আজি ৰেপ'ৰেট ৫০ পইণ্ট হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ৫ দশমিক ৫ শতাংশ কৰে। ইয়াৰ পূৰ্বে ৰিজাৰ্ভ বেংকে ফেব্ৰুৱাৰী আৰু এপ্ৰিলতো ২৫ পইণ্ট হ্ৰাস কৰিছিল। ২০২৫ বৰ্ষত এতিয়ালৈকে ৰেপ' ৰেটৰ ক্ষেত্ৰত সৰ্বমুঠ ১ শতাংশ হ্ৰাস কৰা হৈছে। ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ সঞ্জয় মলহোত্ৰাই প্ৰকাশ কৰা অনুসৰি, ৰেপ' ৰেট হ্ৰাসে বিশ্বজনীন অনিশ্চয়তাৰ পৰিস্থিতিত দেশৰ অৰ্থনৈতিক বৃদ্ধিত সহায় কৰিব।

০০০০০০

সেৱা, সুশাসন আৰু দৰিদ্ৰৰ কল্যাণৰ জৰিয়তে ভাৰত সম্প্ৰতি ৰূপান্তৰকৰণৰ এটা দশকৰ মাজেৰে গতি কৰিছে। ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ শাসনৰ ১১ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে শ্ৰী মোদীয়ে যুৱ প্ৰজন্মক গতিশীলতা, ৰূপান্তৰ আৰু দৃঢ়তাৰ প্ৰতীক বুলি অভিহিত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গোলকীয় প্ৰেক্ষাপটত ভাৰতীয় যুৱকসকলৰ সাফল্যৰ সন্দৰ্ভত কৈছে, যে দেশৰ যুৱ প্ৰজন্মই বিশ্বৰ জনমানসত এটা সুকীয়া স্থান অধিকাৰ কৰিছে। তেওঁ কয়, যে অদম্য শক্তি আৰু দৃঢ়তাৰে যুৱ শক্তিয়ে বিগত ১১ বছৰত দেশৰ বিকাশত বিশেষ অৱদান আগবঢ়াইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে ষ্টাৰ্ট আপ, বিজ্ঞান, ক্ৰীড়া, সমূহীয়া সেৱা, সংস্কৃতি আৰু বিভিন্ন খণ্ডত দেশৰ যুৱ প্ৰজন্মই উল্লেখনীয় অৱদান আগবঢ়াইছে। শ্ৰী মোদীয়ে লগতে কয়, যে বিগত ১১ বছৰত যুৱ প্ৰজন্মৰ সৱলীকৰণৰ লক্ষ্যৰে সঠিক নীতি আৰু কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে যুৱ প্ৰজন্মৰ সৱলীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ষ্টাৰ্টআপ ইণ্ডিয়া, স্কীল ইণ্ডিয়া, ডিজিটেল ইণ্ডিয়া আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আদি ৰূপায়ণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দেশৰ যুৱ প্ৰজন্মক সৱলীকৰণ কৰাৰ ক্ষেত্ৰত আস্থা প্ৰকাশ কৰিছে।

০০০০০০

কেন্দ্ৰীয় সংখ্যালঘূ উন্নয়ন দপ্তৰৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি নতুন দিল্লীত উম্মীদ প'ৰ্টেল মুকলি কৰে। এই প'ৰ্টেলৰ যোগেদি ৱাকফ সম্পত্তিৰ নতুনকৈ পঞ্জীয়ন, ৱাকফৰ নথি-পত্ৰ দাখিল, ৱাকফৰ পঞ্জীয়ন আৰু ৱাকফৰ মোটাৱল্লিৰ একাউন্টৰ কাম-কাজৰ লগতে ৱাকফ সম্বন্ধীয় অন্যান্য বিষয়সমূহ সুচাৰুৰূপে পৰিচালনা কৰা হ'ব। এই প'ৰ্টেলৰ এটা উল্লেখনীয় দিশ হৈছে- ৱাকফ সম্পত্তি বা অন্যান্য ৱাকফ সম্বন্ধীয় কাম-কাজৰ বাবে সংযুক্ত হ'বলৈ সংখ্যালঘূ লোকসকলে মোবাইল নম্বৰ অথবা ই-মেইল ব্যৱহাৰ কৰিব পাৰিব। প'ৰ্টেল মুকলি অনুষ্ঠানত ভাষণ দি মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে ৱাকফ সম্পত্তিৰ প্ৰশাসনীয় আৰু পৰিচালনাৰ দিশটোত এই প'ৰ্টেলে স্বচ্ছতা অনাৰ লগতে সমগ্ৰ ব্যৱস্থাটোৰ উন্নতি সাধন কৰিব। ৱাকফ সংশোধনী আইন-২০২৫এ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সবকা সাথ-সবকা বিকাশ মন্ত্ৰক আগুৱাই লৈ গৈছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰিছে।

০০০০০০

পলাতক ব্যৱসায়ী মেহুল চক্সীৰ বেংক একাউণ্ট, মিউচুৱেল ফাণ্ড আৰু শ্বেয়াৰসমূহ জব্দ কৰি ২ কোটিতকৈও অধিক টকা উচুল কৰাৰ বাবে ছেবিয়ে নিৰ্দেশ দিছে। মেহুল চক্সীক গীতাঞ্জলি জেমছৰ শ্বেয়াৰসমূহ বে-আইনীভাৱে ব্যৱসায় কৰাৰ বাবে ২ কোটি টকাৰ জৰিমনা বিহা হৈছিল। চক্সী গীতাঞ্জলি জেমছৰ অধ্যক্ষ তথা ব্যৱস্থাপন সঞ্চালক হৈ থকা সময়ত কোম্পানীটোৰ শ্বেয়াৰৰ বিষয়ে কিছুমান অভ্যন্তৰীণ তথ্য নিজৰ সহযোগীক সদৰী কৰাৰ বাবে অভিযুক্ত কৰা হৈছিল। এই তথ্যসমূহৰ ওপৰত ভিত্তি কৰি তেওঁৰ সহযোগীয়ে ২০১৭ চনত নিজৰ সম্পূৰ্ণ ৫ দশমিক ৭-৫ শতাংশ অংশীদাৰিত্ব বিক্ৰী কৰি দিছিল। ইয়াৰ ফলত কোম্পানীৰ ঘাটিৰ বিষয়ে ৰাজহুৱা হোৱাৰ পূৰ্বেই মেহুল চক্সীৰ সহযোগীগৰাকীয়ে শ্বেয়াৰ বিক্ৰী কৰি নিজক লোকচানৰ পৰা বচাবলৈ সমৰ্থ হৈছিল। ২০২২ চনত ইয়াৰ বাবে ছেবিয়ে মেহুল চক্সীক ডেৰ কোট টকাৰ জৰিমনা বিহাৰ লগতে এবছৰলৈকে শ্বেয়াৰ বজাৰত ট্ৰেডিং কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছিল। চক্সীয়ে জৰিমনাৰ এই ৰাশি জমা নিদিয়াৰ বাবে ছেবিয়ে তেওঁৰ বেংক একাউণ্ট, মিউচুৱেল ফাণ্ড আৰু শ্বেয়াৰসমূহৰ পৰা জৰিমনাৰ ধন মোকলাবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

দিল্লীৰ এখন আদালতে আজি ২৬-১১ৰ মুম্বাই আক্ৰমণৰ সৈতে জড়িত থকাৰ অভিযোগত অভিযুক্ত তাহাবুৰ হুছেইন ৰাণাৰ ন্যায়িক জিম্মাৰ ম্যাদ ৯ জুলাইলৈকে বৃদ্ধি কৰিছে। আজি অভিযুক্ত ৰাণাক ভি ডি অ' কনফাৰেন্সিঙৰ জৰিয়তে আদালতত হাজিৰ কৰোৱাৰ সময়ত বিশেষ ন্যায়াধীশ চন্দেৰজিৎ সিঙে ৰাণাক পুনৰ ন্যায়িক জিম্মাত ৰখাৰ নিৰ্দেশ দিয়ে। পাটিয়ালা হাউছ আদালতে তিহাৰ জে'ল কৰ্তৃপক্ষক ৰাণাৰ স্বাস্থ্যৰ স্থিতি সন্দৰ্ভত অহা সোমবাৰৰ ভিতৰত এখন প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়, ই ডিয়ে আজি অভিনেতা দীনু মোৰিয়া, তেওঁৰ ভাতৃৰ কেইবাজনো ঠিকাদাৰৰ বাসগৃহৰ লগতে মুম্বাই আৰু কোচিৰ ১৫ টাকৈ স্থানত অভিযান চলাইছে। উল্লেখযোগ্য যে, মিথি নদীৰ নিষ্কাষণ কেলেংকাৰীৰ সৈতে জড়িত ৬৫ কোটি টকীয়া বিত্তীয় অনিয়মৰ গোচৰত মুম্বাই আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ শাখাই দাখিল কৰা এফ আই আৰৰ ভিত্তিত বিত্তীয় অনিয়ম প্ৰতিৰোধ আইনৰ অধীনত এই অভিযান চলোৱা হৈছে। এফ আই আৰত উল্লেখ থকা অনুসৰি, মিথি নদীৰ নিষ্কাষণত হোৱা অনিয়মৰ বাবে

মুম্বাই পৌৰ নিগমে বৃহৎ আৰ্থিক লোকচানৰ সন্মুখীন হ'ব লগা হৈছিল। মুম্বাই আৰক্ষীৰ অৰ্থনৈতিক অপৰাধ শাখাই অভিনেতা দীনু মোৰিয়াৰ লগতে নিগমৰ বিষয়া, ঠিকাদাৰকে ধৰি মুঠ ১৩ জন লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি অনুসন্ধান অব্যাহত ৰাখিছে।

oooooo

ভাৰতীয় ক্ৰিকেট দলটো আজি পাঁচখনিয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইংলেণ্ডলৈ ৰাওনা হ'ব। ২০২৫-২৭ আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অংশ হিচাপে আয়োজন কৰা এই টেষ্ট শৃংখলা জুনৰ পৰা আগষ্টলৈ চলিব। ৰোহিত শৰ্মা আৰু বিৰাট কোহলীয়ে টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰাৰ পাছত এয়া হ'ব ভাৰতৰ প্ৰথমখন দ্বিপাক্ষিক টেষ্ট শৃংখলা। উল্লেখযোগ্য যে ২০০৭ চনৰ পৰা ভাৰতে ইংলেণ্ডৰ বিৰুদ্ধে এখনো টেষ্ট শৃংখলাত জয়লাভ কৰা নাই।

oooooo

জাকাৰ্টাত চলি থকা ইণ্ডোনেছিয়া অ'পেন ছুপাৰ থাউজেণ্ড প্ৰতিযোগিতাত আজি ভাৰতে কোৱাৰ্টাৰ ফাইনেল পৰ্য্যায়তে নিজৰ অভিযান সামৰিছে। শীৰ্ষ বাছনিৰ ভাৰতীয় যুটী চিৰাগ চেট্টি আৰু সাত্বিকসাইৰাজ ৰণকীৰেড্ডীয়ে মালয়েছিয়াৰ যুটী চন ৰে'ই চং আৰু টি কে য়ুনৰ বিৰুদ্ধে ১৯-২১, ১৬-২১ গেমত পৰাজয় বৰণ কৰিছে।

oooooo

সমাপ্ত